# বিজ্ঞান বাৰ্তা

## ASSAM SCIENCE SOCIETY

# BIGYAN BARTA

Vol-2 | Issue-2 | March – April | a Bimonthly newsletter

2025



কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি











Phone :+9160013-99315 e-mail: gsass2014@gmail.com

# EDITORIAL BOARD

**Advisors :**
Kshiradhar Baruah
Basanta Deka
Dr. Abani Kumar Bhagabati
Dr. Jaideep Baruah
Abhijit Sarma Borua



**Chief Editor :**
Nirud Kumar Borah

**Editor :**
Pankaj Kumar Boruah

**Members:**
Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Hiranya Kr. Nath
Pradip Mahanta



**Graphics and design:**
Nirud Kumar Borah

**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society,
Khanapara,
Jawahar Nagar, Guwahati 781022

# TABLE OF CONTENTS

Editorial ........................................................ 01
State-level workshop at Khanapara . .............. 02
12th Executive Committee meeting ............... 03
Obituary ........................................................ 05
Branch E C meeting........................................ 06
Nature camp .................................................. 07
13th Executive Committee meeting ............... 13
Program of Pub Kamrup Branch.................... 15
District Level Resource Person
Programe........................................................ 17
General Body Meeting.................................... 24
Press meet... ... ... ......... ......... .................... 30
Book Stall ...................................................... 31
Opening of Office complex.................. ........ 32
ECO club activities ........................................ 33
Award "Fellow" from Assam Science
Society ........................................................... 34
A Report on Bi-annual Conference,
Dhakuakhana.................................................. 35
World Health Day........................................... 48
Gramya Bigyan Mela...................................... 50
Establishment Day and Workshop................. 57
Popular Talk...... .............................. ........... 59
Digital dissemination of science
popularisation................................................. 62
World Earth Day....................... ................. 71
About Bigyan puji ........... ......... ................. 73

BIGYAN BARTA

EDITORIAL

২০২৪ চনৰপৰা প্ৰকাশিত

# বিজ্ঞান বাৰ্তা

VOL-2-,-ISSUE 2::, MARCH-APRIL , A BIMONTHLY NEWS LETTER

বৰ্ষ ২ ঃ ২য় সংখ্যা ঃ মাৰ্চ–এপ্ৰিল ২০২৫

## সম্পাদকীয়

চাওঁতে চাওঁতে বছৰ পাৰ হৈ গল, দ্বিতীয় বৰ্ষৰ দ্বিতীয় সংখ্যা প্ৰকাশ পাবলৈ গৈছে আৰু বিভিন্ন শাখাসূহৰ কথা কেন্দ্ৰীয় কমিটিৰ কাম কাজৰ খতিয়ান আমাৰ এই বিজ্ঞান বাৰ্তাত সঞ্চিত হৈ গৈছে। এই সংখ্যাত কেইবাটাও বিশেষ ঘটনা প্ৰবাহ সন্নিবিষ্ট হৈছে তাৰ ভিতৰত ঢকুৱাখানাত অনুষ্ঠিত হোৱা অসম বিজ্ঞান সমিতিৰ দ্বিবাৰ্ষিক অধিৱেশন আৰু ইয়াৰ লগে লগে নতুন কাৰ্যনিৰ্বাহক সমিতিৰ নিৰ্বাচন, সমল ব্যক্তিৰ প্ৰশিক্ষণ (কেচুসাৰ প্ৰস্তুত,গোটা আৱৰ্জনা পৃথকীকৰণ আৰু বৰষুনৰ পানী সংৰক্ষণৰ ওপৰত কৰ্মশালা), বিভিন্ন জিলাত ছাত্ৰ ছাত্ৰী সকলৰ বাবে নেচাৰ কেম্প অনুষ্ঠিত কৰা, বিভিন্ন শাখাসমূহৰ বাৰ্ষিক অধিবেশন সমূহ সম্পন্ন হোৱাৰ বতৰা, অসম বিজ্ঞান সমিতিৰ Fellow বটা প্ৰদান কৰা, গ্ৰাম্য বিজ্ঞান মেলা অনুষ্ঠিত কৰা, বিভিন্ন জনপ্ৰিয় বক্তৃতাৰ আয়োজন, বিভিন্ন দিৱস অনুষ্ঠিত হোৱাৰ খবৰ, ইত্যাদিৰ সম্ভাৰেৰে সমৃদ্ধ হৈ আছে এই সংখ্যাটো ।

এই সুযোগতে মই আকৌ আমাৰ সকলো শাখাৰ সন্মানীয় সম্পাদক আৰু সভাপতিসকললৈ অনুৰোধ জনাওঁ যাতে তেখেতলোকে নিজ নিজ শাখাত অনুষ্ঠিত হোৱা বিভিন্ন কাৰ্যসূচীৰ সমূহ বিৱৰণ উৎকৃষ্ট মানৰ ফটোগ্ৰাফৰ সৈতে "ব্ৰাঞ্চ প্ৰচিডেণ্ট চেক্ৰেটাৰী" গ্ৰুপত আপলোড কৰে যেন । ফটোসমূহ আপলোড কৰোঁতে এইচ ডি(HD) কুৱালিটী বৰ্তাই ৰাখিবলৈ যত্ন কৰিব, লগতে আৰু অনুৰোধ জনাওঁ ফটোসমূহ এনে হোৱা বাঞ্চনীয় যাতে ইবোৰে অনুষ্ঠানটিৰ কেউটা দিশ সামৰি লয় । সমগ্ৰ অসম বিজ্ঞান সমিতিৰ শাখাসমূহৰ আটাইবোৰ কাৰ্যসূচীৰ পৰিষ্কাৰ আৰু স্পষ্ট প্ৰতিফলন হোৱাটো নিত্যান্তই প্ৰয়োজন আৰু ইয়াৰ বাবে আপোনালোক সকলোৰে সহায় সহযোগীতাৰ প্ৰয়োজন । নিদিয়াকৈ থকা সকলো শাখাকে আকৌ আহ্বান জনাওঁ যে নিজ নিজ শাখাসমূহৰ আজীৱন সদস্যসকলৰ সকলো তথ্য নিৰ্দিষ্ট এক্সেল ফৰ্মেটত হেড অফিচলৈ পঠিয়াই দিয়ক যাতে আমাৰ হাতত সম্পূৰ্ণ ডাটা বেছ এটা গঢ় লৈ উঠে । আমাৰ অসম বিজ্ঞান সমিতিৰ প্ৰতিটো শাখাৰ প্ৰতিজন কৰ্মকৰ্তাই নিজৰ বহুমূলীয়া সময়খিনিৰ পৰা স্বেচ্ছাই, অবৈতনিক ভাৱে কিছু কিছু সময় উৰ্চগা কৰিছে, সেয়াই আমাৰ বাবে সম্পদ আৰু এই সম্পদ অমূল্য, যি অক্ষয় আৰু ভৱিষ্যতলৈ চিৰ প্ৰবাহমান হওক ।

অসম বিজ্ঞান সমিতিৰ সংবিধানত নটা লক্ষ্য আৰু উদ্দেশ্য(Aim sand Objective) সন্নিবিষ্ট হৈ আছে আমাৰ সকলো সদস্যই আমাৰ সংবিধানখনৰ সৈতে চিনাকি হৈ লোৱা উচিত আৰু সেই সুবিধাটো আমি শাখাৰ সম্পাদকে কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে । অসম বিজ্ঞান সমিতি এটি গণতান্ত্ৰিক পন্থ নিৰপেক্ষ আৰু অ-ৰাজনৈতিক স্বেচ্ছসেৱী সংগঠন । ইয়াৰ এই স্বৰূপটো আমি আটাইয়ে নিশ্চয় সুৰক্ষিত কৰি ৰাখিমহক। অসম বিজ্ঞান সমিতি আৰু আগুৱাই যাওক তাৰেই আশাৰে,-

শ্ৰদ্ধাৰে,






নিৰোদ কুমাৰ বৰা
পংকজ কুমাৰ বৰুৱা



Published by : General Secretary, Assam Science Society, Khanapara, Jawahar Nagar, Guwahati 781022, Assam

# State-level workshop at Khanapara

State-level workshops of the project "Application of Digital Platforms for Dissemination of Science under Popularization of Science in Villages of Assam for the financial Year 2024-2025" held on 09.03.25 at Assam Science Society Head Quarter.















# 12th Executive Committee meeting

## held on 09.03.25 at Assam Science Society Head Quarter


















Exhibition at 57th conference of ABSU at Dotma from 14th - 16th March, 2025



# শোক প্ৰস্তাৱ

## অসম বিজ্ঞান সমিতিৰ অন্যতম সক্ৰিয় আজীৱন সদস্য কল্যাণ দত্তৰ বিয়োগত তেওঁৰ গৃহত অসম বিজ্ঞান সমিতিৰ হৈ লক্ষীমপুৰ শাখাৰ দ্বাৰা শোক প্ৰস্তাৱ দিয়া হয়





স্থাপিত : ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০) ৰ অধীনত পঞ্জীকৃত

অসম বিজ্ঞান সমিতি
ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd No. 49 of 1960-61)
Head Office : Jawaharnagar, Khanapara, Guwahati - 781022, Assam, India
☎ : (0361) 2363258, E-mail : gsass2014@gmail.com

অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ

গুৱাহাটী, ১৮ মাৰ্চ, ২০২৫

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ আজীৱন সদস্য, সমিতিৰ প্ৰাক্তন সহকাৰী সচিব তথা লক্ষীমপুৰ শাখাৰ বৰ্তমান সম্পাদক শ্ৰী কল্যাণ দত্তৰ যোৱা ১৭ মাৰ্চ, ২০২৫ তাৰিখে হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে শ্ৰী দত্তৰ বিয়োগত সমিতিৰ তথা লক্ষীমপুৰ অঞ্চলৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। বিজ্ঞানকৰ্মী হিচাপে শ্ৰী দত্তই আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ডঃ ধীৰেশ্বৰ কলিতা)
সভাপতি

(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব

অসম বিজ্ঞান সমিতি

Recipient of NCSTC'S National Award 1990 for popularisation of Science





## অসম বিজ্ঞান সমিতি মৰাণ শাখাৰ প্ৰথমখন কাৰ্য্যনিৰ্বাহক সভা ১৯/০৩/২০২৫ তাৰিখ বুধবাৰে দিনৰ ২ বজাত মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৰা হয়













# NATURE CAMP


## প্ৰকৃতি সজাগতা শিবিৰ



**ধেমাজি শাখা**

# প্ৰকৃতি শিবিৰ, অ বি স ধেমাজি শাখা, স্থান: মেগামিক্স প্ৰকৃতি সংঘ, ঢকুৱাখনা


















# প্ৰকৃতি শিবিৰ, অ বি স ধেমাজি শাখা, স্থান: মেগামিক্স প্ৰকৃতি সংঘ, ঢকুৱাখনা







## 1st day of Nature Camp

# পৰিবেশ শিবিৰ

ভাৰত চৰকাৰৰ পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় বিভাগৰ তত্ত্বাৱধানত আৰু অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি বিদ্যা আৰু পৰিবেশ পৰিষদৰ সহযোগত জিলা নডাল এজেঞ্চী (ইইপি), অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ উদ্যোগত আৰু অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সহযোগত **২৭ আৰু ২৮ মাৰ্চত** দুদিনীয়াকৈ পৰিবেশ শিবিৰ কাৰ্যসুচী অনুষ্ঠিত হয় । জিলা খনৰ দহখন বিদ্যালয়ৰ মুঠ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা পৰিবেশ শিবিৰটো চাৰণ বিল আৰু বঘৰা পাহাৰৰ অৰণ্য এলেকাক সামৰি অনুষ্ঠিত হয় । প্ৰশিক্ষাৰ্থী ছাত্ৰছাত্ৰীসকলক পাহাৰ বগুৰা, পৰিবেশ সংৰক্ষণ, বিভিন্ন প্ৰজাতিৰ কীট পতংগ, বনৰীয়া ফুল-ফল, গছ-লতা, জীৱজন্তু, পক্ষীকুলৰ সৈতে পৰিচয় কৰি দিয়াৰ উপৰিও এইসমুহ প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰা হয় । দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা প্ৰকৃতি শিবিৰৰ প্ৰশিক্ষণত সমল ব্যক্তি হিচাবে অংশগ্ৰহণ কৰে মৰিগাঁও জিলা পৰ্বাতোৰোহন ও দুঃসাহসীক ক্ৰীড়া সমিতিৰ সম্পাদক দীপজ্যোতি বৰা, সীমান্তজ্যোতি বৈশ্য, জ্যোতি বিকাশ, দেৱজিৎ নাথ, আৰিয়ামিত্ৰ নাথ আৰু সুতাপা ৰয়, হীৰকজ্যোতি নাথ, অঞ্জলি মেধি আৰু ধ্ৰুৱজ্যোতি ভূঞাই গাইড শিক্ষক হিচাবে অংশগ্ৰহণ কৰে । মৰিগাঁও সদৰ চক্ৰ বিষয়া মনিকা বুঢ়াগোহাঁইয়ে উন্মোচন কৰা আৰু ডি.এন.এ(ইইপি)ৰ জিলা সমন্বয়ক ড° ইমদাদ আলীয়ে আত ধৰা শিবিৰৰ বিভিন্ন কাৰ্যসূচীত উপস্থিত থাকে উপস্থিত থাকে অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ সাধাৰণ সম্পাদক













# 2nd day of Nature Camp,Morigaon Branch




সাধাৰণ সম্পাদক নিৰোদ কুমাৰ বৰা, মনমোহন ৰাজবংশী, দিপ্তীমনী শৰ্মা, জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অপূৰ্ব কুমাৰ দাস অন্নদা দেৱী আৰু লক্ষ্যজ্যোতি শইকীয়া । বিশিষ্ট শিক্ষাবিদ মনমোহন ৰাজবংশীয়ে প্ৰশিক্ষাৰ্থী সকলক বটাঁ বিতৰণ কৰে । প্ৰশিক্ষণ শিবিৰত চান্দিল্য নাথ আৰু ৰিচা কলিতাক শ্ৰেষ্ঠ প্ৰশিক্ষাৰ্থী হিচাপে নিৰ্বাচন কৰা হয় । শাখাৰ উপসভাপতি পিনাকী ভূষণ মহন্তৰ তত্ত্বাৱধানত Joint Director Health, Morigaon District ৰ সহযোগত ছাত্ৰ ছাত্ৰী সকলৰ চকুপৰীক্ষা কৰা হয় আৰু চশমা প্ৰদান কৰা হয়।









# Nature Camp




৫ আৰু৬ মাৰ্চ/২০২৫ তাৰিখে ,ভাৰত চৰকাৰৰ বন আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ পৃষ্ঠপোষকতাত অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিবৰ্তন বিভাগ আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ তত্ত্বাৱধানত,অসম বিজ্ঞান সমিতি,গোৰেশ্বৰ শাখাৰ উদ্যোগত গোৰেশ্বৰ অঞ্চলৰ ১০খন বিদ্যালয়ৰ ৪০জন ছাত্ৰ,১০জন শিক্ষক,৪জন সমলব্যক্তি আৰু ৬জন যুৱকক লৈ ওদালগুৰি জিলাৰ বৰনদী বন্য প্ৰাণী সংৰক্ষিত বনাঞ্চলত দুদিন এৰাতিৰ এটি প্ৰাকৃতিক শিৱিৰ (Nature camp)সম্পন্ন কৰা হয়।উক্ত শিৱিৰ পৰিচালনাত সম্পূৰ্ণ সহযোগ কৰে দাওৱাঝাৰ ইকো টুৰিজিম ছোছাইতি আৰু বনাঞ্চল খনৰ সন্মানীয় বন বিষয়া ৰাজেন দৈমাৰীদেৱৰ লগতে কৰ্মচাৰী সকলে।শিৱিৰৰ শেষত অংশগ্ৰহণকাৰী সকলক প্ৰমান পত্ৰ দিয়া হয় আৰু সকলোৱে উপকৃত হোৱা বুলি মত ব্যক্ত কৰে







**13th No. of**

# Executive Committee meeting

## of Assam Science Society held at Head Quarter of Assam Science Society on 23.03.25













# Executive Committee meeting









## পদ্মশ্ৰী বিৰুবালা ৰাভাৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি পূব কামৰূপ মহাবিদ্যালয় ত আয়োজিত অন্ধবিশ্বাস আৰু কু-সংস্কাৰ নিবাৰণ দিৱস উদযাপন ৰ এক ৰেঙনি...












## ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ২০২৫

### দুদিনীয়া বিশেষ কাৰ্যসূচী :

১ম দিনা : UG আৰু PG Level আৰু Senior Secondary level ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিশেষ বক্তৃতা প্ৰতিযোগিতা : বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু বিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ অফুৰন্ত সহযোগ। বিজ্ঞান প্ৰযুক্তিৰ যাত্ৰাত তেওঁলোকৰ যি দৃষ্টি ভঙ্গী আমি আয়োজক মণ্ডলী অভিভূত হৈ পৰিছিলো। সকলো প্ৰতিযোগী বিশেষকৈ জেষ্ঠ্য শাখাৰ শ্ৰেষ্ঠ বক্তা কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ কপিল দেব গোস্বামী আৰু কনিষ্ঠ শাখাৰ শ্ৰেষ্ঠ বক্তা কামৰূপ বিদ্যাপীঠ হাই স্কুলৰ জুনমনি বেগম ক বিশেষ ভাবে ধন্যবাদ জ্ঞাপন কৰিলো-শুভকামনা যাচিলো।

২য় দিনৰ কাৰ্যসূচী : কামৰূপ বিদ্যাপীঠ হাই স্কুলত

* চি ভি ৰমনৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ
* বিদ্যালয় চৌহদত দুটি গছপুলি ৰোপন
* বিজ্ঞান সজাগতামুলক শোভাযাত্ৰা
* ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস'২৫ ৰ মূল বিষয় শীৰ্ষক বক্তৃতা
* বটা বিতৰণ কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচী ৰূপায়ন কৰা হয়।
* পূব কামৰূপ মহাবিদ্যালয় কৰ্তৃপক্ষ
* কামৰূপ বিদ্যাপীঠ হাই স্কুল
* ৰাষ্ট্ৰীয় সেৱা আচনি গোট * বৃহত্তৰ পুব কামৰূপ অঞ্চলৰ চিনিয়ৰ চেকেণ্ডাৰী বিদ্যালয় সমূহ, অংশগ্ৰহণ কাৰী বিশ্ববিদ্যালয়, মহাবিদ্যালয়. সকলো পক্ষলৈ আন্তৰিক সেৱা আৰু ধন্যবাদ জ্ঞাপন কৰিলো- নবেল বিজয়ী

















মহান বিজ্ঞানী চি ভি ৰমন দদেৰলৈ আয়োজক অসম বিজ্ঞান সমিতি,পূব কামৰূপ শাখা আৰু পূব কামৰূপ মহাবিদ্যালয় বিজ্ঞান মঞ্চৰ তৰফৰ পৰা শতকোটি প্ৰনাম যাচিলো.

# District Level Resource Person Training Programe

**On**

**"Solid Waste Management, Vermicomposting, and Rain Water Harvesting".** under the Environment Education Programme (EEP).



# শিক্ষকৰ কৰ্মশালা

গোৰেশ্বৰ শাখাৰ দ্বাৰা জিলা ভিত্তিত দুদিনীয়া শিক্ষক কৰ্মশালা সম্পন্ন, ভাৰত চৰকাৰৰ পৰিৱেশ বন আৰু জলবায়ুপৰিবৰ্তন বিভাগৰ পৃষ্ঠপোষকতাত,অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ তত্ত্বাৱধানত,অসম বিজ্ঞান সমিতি গোৰেশ্বৰ শাখাৰ(জিলা নডেল এজেঞ্চী)উদ্যোগত নাওকাটা মিলন ছোৱালী হাইস্কুলত যোৱা ২১আৰু ২২ মাৰ্চতদুদিনীয়া কাৰ্যসূচীৰে ৪৫ খন বিদ্যালয়ৰ শিক্ষককলৈ কেচুসাৰ প্ৰস্তুত,গোটা আৱৰ্জনা পৃথকীকৰণ আৰু বৰষুনৰ পানী সংৰক্ষণৰ ওপৰত এখন কৰ্মশালা অনুষ্ঠিত হৈ যায়। প্ৰথম দিনা পুৱা ৯বজাত কৰ্মশালাৰ শুভাৰম্ভ কৰে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ,গোৰেশ্বৰ খণ্ডৰ সমন্বয়ক অসীম ডেকাই।সমলব্যক্তি হিচাপে উপস্থিত থাকে ক্ৰমে গৌতম কুমাৰ আৰু ঘনশ্যাম লুইতেল।তেখেতসকলে কেচুসাৰ কেনেদৰে প্ৰস্তুত কৰে হাতেকামে শিকাই দিয়ে।লগতে গোটা আৱৰ্জনাৰ নিষ্কাষনৰ বিষয়ে সুন্দৰ ভাৱে শিকাই দিয়ে।দ্বিতীয়দিনা ক্ষেত্ৰভ্ৰমণত কলবাৰীত থকা কেচুসাৰ প্ৰস্তুত কাৰখানালৈ নি প্ৰস্তুতপ্ৰণালী ভালদৰে দেখুৱা হয়।আবেলি ৩ বজাত গোৰেশ্বৰ শাখাৰ সভাপতি নিৰ্মল দেৱনাথৰ সভাপতিত্বত সামৰণি অনুস্থান অনুস্থিত হয়।অনুস্থানত মুখ্যঅতিথি হিচাপে উপস্থিত থাকে মাগুৰমাৰী কলবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক মাননীয় তপেশ্বৰ কলিতা।সভাত অন্য এজন সমলব্যক্তি মুনিন্দ্ৰ বৰুৱাই প্ৰাকৃতিকভাৱে কীটানুনাশক প্ৰস্তুত কৰিবলৈ শিকাই দিয়ে।সভাত সাংবাদিক লতিফ চৌধুৰী,ৰাজ্যিক সদস্য সুভাষৰঞ্জন দাস,সেইখন বিদ্যালয়ৰ প্ৰধান শিক্ষক জীতেশ বিশ্বাসেও বক্তব্য আগবঢ়ায়।সভাত অংশগ্ৰহণকাৰী সকলক প্ৰমানপত্ৰ দিয়াহয় আৰু শেষত বিজ্ঞান সমিতিৰ সম্পাদক মকুন্দ কাকতিয়ে শলাগৰ শৰাই আগবঢ়ায়












# শিক্ষকৰ কৰ্মশালা


BABU MONI - 1
IZHAAN TRAVEL
TATA
GPS Map Camera
Naokata, Assam, India
Jpqh+rvf, Naokata, Assam 781364, India
Lat 26.639564° Long 91.728692°
22/03/2025 11:00 AM GMT +05:30
Google


Mission LiFE in Assam
District Level Resource Persons' Workshop on Solid Waste Management, Vermicomposting & Rain Water Harvesting
under
Environment Education Programme
Date :
21st & 22nd March, 2025
Venue :
Naokata Milan Girls' High School
Organised by
Assam Science Society, Goreswar Branch (DNA Tamulpur)
Implemented by
Assam Science Technology & Environment Council
Science Technology and Climate Change Department., Govt. of Assam
Supported by
Ministry of Environment, Forest and Climate Change, Govt. of India
LiFE


Mission LiFE in Assam
Environment Education Programme




GPS Map Camera
Naokata, Assam, India

# Report on **District-Level Training Program on "Solid Waste Management,Vermicomposting, and Rainwater Harvesting**




Date: 24th and 25th March, 2025Venue: Morigaon MV School A two-day district-level training program on "Solid Waste Management, Vermicomposting, and Rainwater harvesting was successfully conducted on 24th and 25th March, 2025 at Morigaon MV School. The event was organized by the District Nodal Agency (EEP), Assam Science Society Morigaon Branch, with support from the Assam Science, Technology, and Environment Council.The program, coordinated by District Coordinator Dr. Imdad Ali, witnessed the presence of notable dignitaries, including Morigaon District Education Officer Apurba Thakuria, General Secretary of Assam Science Society







# Report on **District-Level Training Program on "Solid Waste Management,Vermicomposting, and Rainwater Harvesting**




Mrinal Kumar Hazarika, President of Assam Science Society Morigaon Branch Dr. Dhananjay Kushre, and Secretary Nirod Kumar Bora. Experts Akash Jyoti Deka and Juri Barman served as resource persons for the training.A total of 90 teachers from 45 different schools actively participated in the two-day program. The training provided hands-on knowledge and practical demonstrations on waste management, vermicomposting, and rainwater harvesting. Additionally, we organized a field visit to a vermicomposting unit under NMSA (RAD), Yangli FPC, Manipur (Morigaon), to provide the participants with real-world exposure.At the end of the program, each participant was awarded a certificate of participation, recognizing their successful completion of the training.







LISHAMONI
Mission LIFE in Assam








কাৰ্য্যালয়
ইয়াংলী কৃষক উৎপাদক কোঃ লিঃ
CIN : U01100AS2021PTC021307
২নং মানিপুৰ, মৰিগাঁও, অসম পিন : ৭৮২১০৫
দূৰভাষ : ৯৮৬৪১-১৮৪২০
(RGVN-APPI প্ৰকল্পৰ অধীনত গঠিত এক সংস্থা)
GPS Map Camera
Marigaon,Assam,India
Marigaon, Marigaon, 782105, Assam, India
Lat 26.258592, Long 92.308311
03/25/2025 01:32 PM GMT+05:30
Note : Captured by GPS Map Camera

**28-3-2025**

## ধেমাজিত গোটা আৱৰ্জনা ব্যৱস্থাপনা, কেঁচুসাৰ প্ৰস্তুতকৰণ আৰু বৰষুণৰ পানী সংৰক্ষণ বিষয়ক কৰ্মশালা ৪৫ খন বিদ্যালয়ৰ ৯০ গৰাকী শিক্ষকৰ মাজত















# শাখাৰ -বাৰ্ষিক, দ্বি-বাৰ্ষিক অধিবেশন

## GENERAL BODY MEETING

# Bienneial general meeting of Assam Science Society, Nagarbera Branch.












# দ্বি-বাৰ্ষিক অধিবেশন


## উত্তৰ গুৱাহাটী শাখাৰ



অসম বিজ্ঞান সমিতি উত্তৰ গুৱাহাটী শাখাৰ দ্বি- বাৰ্ষিক অধিবেশন আজি ইং ২৮/০৩/২০২৫ তাৰিখে শ্ৰী থানেশ্বৰ শৰ্মাৰ সভাপতিত্বত অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাৰ দ্বি - বাৰ্ষিক সাধাৰণ সভাখন উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ 'ছেমিনাৰ হল ' ত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। সভাত সমিতিৰ সম্পাদিকা শ্ৰী বৃন্দালি দেৱীয়ে ২০২৩-২৪ আৰু ২০২৪-২৫ বৰ্ষৰ প্ৰতিবেদন পাঠ কৰে। কোষাধ্যক্ষ শ্ৰী প্ৰদীপ কুমাৰ কলিতাই ২০২৩ -২৪ আৰু ২০২৪-২৫ বৰ্ষৰ হিচাপৰ খতিয়ান দাখিল কৰে আৰু সেইখন বিনা বিতৰ্কৰে সভাত সৰ্বসন্মতি ক্ৰমে গৃহীত হয়। এই সভাত সভাপতি শ্ৰী থানেশ্বৰ শৰ্মাৰ পদত্যাগেৰে পুৰণা কমিটি ভংগ হয় আৰু নতুন সমিতি গঠন হয়। *নতুন সমিতিৰ সদস্য সকল হল:* সভাপতি: প্ৰভাত শৰ্মা কাৰ্যকৰী সভাপতি: ড. মালচী চৌধুৰী উপ - সভাপতি: শ্ৰীমতী শিখা ৰাণী কাকতি, শ্ৰীমতী কুসুম মহন্ত, সম্পাদক:শ্ৰী প্ৰদীপ কুমাৰ কলিতা, যুটীয়া সম্পাদক : ড. বনিমা তালুকদাৰ ড. ৰুবী দলে কোষাধ্যক্ষ :ড. অভিজিত বৰুৱাহিচাপ পৰীক্ষক:ড. গৌতম শইকীয়াকাৰ্যকৰী সদস্য:শ্ৰী গৌৰীকান্ত কাকতি, শ্ৰী পাৰ্থ প্ৰতীম বৰ কাকতি, শ্ৰী কৃষ্ণ ৰাম শইকীয়া, ড. হুনমিলি টেৰণপী, ড. ললিত শ্ৰেষ্ঠ, ড. হিমাদ্ৰী বৰা ,ড. ৰিপুঞ্জয় সোণোৱাল, শ্ৰী থানেশ্বৰ শৰ্মা (পদেন)শ্ৰী মতী বৃন্দালি দেৱী (পদেন, )ছাত্ৰ - ছাত্ৰী সদস্য: শ্ৰী বিতুপন কলিতা,শ্ৰী বৰ্ণালী দাস,শ্ৰী হালিম জাকাৰিয়া,শ্ৰী মনালী ভূঞা সভাত নতুন কাৰ্যকৰী কমিটিক অহা ইং ৪,৫ আৰু ৬ মাৰ্চ ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতিৰ ঢকুৱাখানা অধিবেশনলৈ উত্তৰ গুৱাহাটী শাখাক উপযুক্ত ভাবে প্ৰতিনিধিত্ব কৰিবলৈ দায়িত্বভাৰ অৰ্পণ কৰে। নতুন সমিতিৰ সভাপতি গৰাকীয়ে শাখাৰ কামকাজ আৰু অসম বিজ্ঞান সমিতিৰ উদ্দেশ্যবোৰ আগত ৰাখি সমাজত সকলো বৰ্গৰ মানুহৰ বিজ্ঞান মনস্কতা বৃদ্ধি কৰা, ছাত্ৰ ছাত্ৰী সকলৰ মাজত বিজ্ঞানৰ প্ৰতি ধাউতি বঢ়োৱা, সমাজত দেখা দিয়া পাৰিপাৰ্শ্বিক সমস্যাবোৰ লক্ষ্য কৰি সমাধানৰ বাবে প্ৰয়াস কৰা, নতুন সদস্য - সদস্যা ভৰ্তি কৰণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

# গোৰেশ্বৰ শাখাৰ দ্বি-বাৰ্ষিকঅধিবেশন

অসম বিজ্ঞান সমিতি,গোৰেশ্বৰ শাখাৰ দুবছৰীয়া অধিবেশনৰ প্ৰথম কাৰ্যসূচী পতাকা উত্তোলন।বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতি মাননীয় নিৰ্মল দেৱনাথ ডাঙৰীয়াই



# গোৰেশ্বৰ শাখাৰ দুবছৰীয়া অধিবেশন

গোৰেশ্বৰ শাখাৰ দুবছৰীয়া অধিবেশন সম্পন্ন যো ২৯ মাৰ্চ তাৰিখে ১৪২নং গোৰেশ্বৰ নিম্ন বুনিয়াদী বিদ্যালয়ত অসম বিজ্ঞান সমিতি গোৰেশ্বৰ শাখাৰ দুবছৰীয়া অধিৱেশনখন অনুষ্ঠিত হৈ যায়।পুৱা পতাকা উত্তোলৰ পাছত আৱেলি ২:০০বজাত প্ৰতিনিধি সভা আৰু ৩:০০বজাত মুকলি সভা অনুষ্ঠিত হয়।প্ৰতিনিধি সভাত সম্পাদকীয় প্ৰতিবেদন আৰু হিচাপৰ প্ৰতিবেদন পাঠ আৰু গ্ৰহন হয়।সভাত অসম বিজ্ঞান সমিতিৰ ৫৫সংখ্যক ঢকুৱাখনা অধিৱেশনত অংশগ্ৰহণ কৰিবলগা সদস্য নিৰ্বাচন কৰাৰ লগতে এটা নতুন পৰিচালনা সমিতি গঠন কৰা হয়।

মুকলি সভা উদ্বোধন কৰে অৱসৰপ্ৰপ্ত প্ৰধান শিক্ষকজিতেশ বিশ্বাস,মুখ্য অতিথি তামুলপুৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ অসীম ডেকা,বাক্সা জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যাপক জয়ন্ত মজুমদাৰে ভাষণত সকলোকে বিজ্ঞান মানসীকতাৰে কাম কৰিবলৈ,সৃজনীমূলক কামত গুৰুত্ব দিবলৈ আৰু সৰুৰেপৰা বিজ্ঞান মানসীকতা গঢ়িতুলিবলৈ আহ্বান জনায়।সম্পাদক মকুন্দ কাকতিয়ে আতঁ ধৰা সভাৰ শেষত সম্পাদকে শলাগৰ শৰাই আগবঢ়োৱাৰ পাছত সভা ভঙ্গ দিয়ে



## দুবছৰীয়া অধিবেশন

অসম বিজ্ঞান সমিতি, জাগীৰোড শাখাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাৰ কেইটিমান স্নেপশ্বট। এই সভাত কেন্দ্ৰীয় সমিতিৰ প্ৰধান সচিৱ শ্ৰী মৃণাল কুমাৰ হাজৰিকা আৰু যুটীয়া সচিৱ শ্ৰী নিৰোদ কুমাৰ বৰা আৰু শ্ৰী লক্ষ্য জ্যোতি শইকয়াদেৰ উপস্থিত হৈ  সাংগঠনিক দিশত কিছুমান অতি গুৰুত্বপূৰ্ণ পৰামৰ্শ প্ৰদান কৰা হয়। আৰু  অনাগত দুটি বৰ্ষৰ বাবে শাখাৰ এখন নতুন কাৰ্যকৰী সমিতি  গঠন কৰা হয়









# Prees Meet

## অধিৱেশন উপলক্ষে আদৰণি সমিতিৰ প্ৰেছ মেল ।

## ঢকুৱাখনাত । 25th March










# গ্ৰন্থৰ বিপনী




**অসম বিজ্ঞান সমিতি, মঙলদৈ শাখাৰ সহযোগত দৰং জিলা জ্ঞান বিজ্ঞান সমিতি আৰু মঙলদৈ মহাবিদ্যালয়ৰ উদ্যোগত আয়োজিত জ্ঞান বিজ্ঞান সমিতি অসমৰ ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহ স্থলীত অসম বিজ্ঞান সমিতিৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থৰ বিপনী**





# অসম বিজ্ঞান সমিতি ডিমৌ শাখাৰ কাৰ্য্যালয় গৃহ

অসম বিজ্ঞান সমিতি ডিমৌ শাখাৰ কায্যালয় গৃহ প্রয়াত মুনিন্দ্র নাথ ফুকন দেৱৰ সোৱৰনত তেখেতৰ সুযোগ্য সন্তান ডিব্রুগড়ৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ডঃ প্ৰবালজোতি ফুকন আৰু পৰিয়ালৰ ফালৰ পৰা নির্মাণ কৰি দিয়া গৃহ টি আজি ৩০।৩।২০২৫ শুভ উদ্বোধন কৰে অসম বিজ্ঞান সমিতি ডিমৌ শাখাৰ প্ৰাক্তন সভাপতিৰ শ্ৰী লোকনাথ গগৈ দেৱে । আজিৰ এই সভাতেই দাতা প্ৰবাল জোতি ফুকন আৰু তেখেতৰ মাতৃ শ্ৰীমতী বন্তী ফুকন ডাঙৰীয়ানিক গামোচা ' চেলেংচাদৰ আৰু সফুৰাৰে শাখাৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰা হ










# ECO club activities in various schools under supervision of Morigaon branch



















**ড.অনিল কুমাৰ গোস্বামী** চাৰৰ গৃহত ইতিপূৰ্বে অসম বিজ্ঞান সমিতিৰ দ্বাৰা আগবঢ়োৱা সন্মানীয় fellow চাৰৰ সহধৰ্মিনী হাতত অৰ্পন কৰা হয় I অনুষ্ঠানটিত সংগ দিয়ে সমিতিৰ প্ৰাক্তন প্ৰধান সচিব জয়দীপ বৰুৱা,যুটীয়া সচিব জাকিৰ হুচেইনে









# A REPORT

# ৪ এপ্ৰিলৰ পৰা অসম বিজ্ঞান সমিতিৰ ৫৫সংখ্যক ঢকুৱাখনা অধিৱেশন, সাজু হৈ উঠিছে হোমেন বৰগোহাঞি ক্ষেত্ৰ




প্ৰতিবেদক - নিৰোদ কুমাৰ বৰা (যুটীয়া সচিব)



# ঢকুৱাখনাত আৰম্ভ হ'ল অসম বিজ্ঞান সমিতিৰ ৫৫ সংখ্যক দ্বিবাৰ্ষিক ৰাজ্যিক অধিৱেশন












**৪ এপ্ৰিলৰ** পৰা ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ বিজ্ঞান কৰ্মী, লেখক, সাহিত্যিক, পৰিৱেশকৰ্মী আৰু শিক্ষাৰ্থীসকলৰ সক্ৰিয় অংশগ্ৰহণেৰে ঢকুৱাখনাৰ হোমেন বৰগোহাঞিঞ ক্ষেত্ৰত আৰম্ভ হৈছে অসমত বিজ্ঞান শিক্ষা, চিন্তা, সাহিত্যৰ পথ প্ৰদৰ্শক অসম বিজ্ঞান সমিতিৰ ৫৫ সংখ্যক ঢকুৱাখনা অধিৱেশন। কাৰ্যসূচী অনুসৰি পুৰা অসম বিজ্ঞান সমিতি, সমিতিৰ ঢকুৱাখনা শাখা আৰু আদৰণী সমিতিৰ পতাকা উত্তোলন কৰে ক্ৰমে সভাপতি ড° ধীৰেশ্বৰ কলিতা,







ঢকুৱাখনা শাখাৰ সভাপতি দিগেন্দ্ৰনাথ হাজৰিকা আৰু আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি দেৱজিৎ ফুকনে। ইয়াৰ পাছতে স্মৃতি তৰ্পন কৰে প্ৰধান সচিব মৃণাল কুমাৰ হাজৰিকাই। পৰৱৰ্তী সময়ত প্ৰদৰ্শনীৰ দ্বাৰ উদঘাটন কৰে ভাৰত জন বিজ্ঞান যাত্ৰাৰ সম্পাদক ড° মনোজ কুমাৰ পাটোৱাৰীয়ে। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি আনুষ্ঠানিকভাৱে কেওটা অনুষ্ঠানৰ শুভাৰম্ভণি কৰে বিশিষ্ট বিজ্ঞান লেখক ড° অৱনী কুমাৰ ভাগৱতীয়ে। তেখেতে ভাষণত ঢকুৱাখনাৰ পৰিৱেশ সংৰক্ষণ চেতনাৰ লগতে অঞ্চলটোৰ বিজ্ঞান শিক্ষা আৰু মনস্কতাৰ ঐতিহ্য সম্পৰ্কে অৱলোকন কৰে।



এই অনুষ্ঠানত আদৰণী সমিতিৰ সভাপতি তথা বিধায়ক নৱ কুমাৰ দলে আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে, সাম্প্ৰতিক সময়ত প্ৰগতিৰ সমান্তৰালভাৱে প্ৰতিগৰাকী ব্যক্তি বিজ্ঞানমনস্ক চিন্তা চেতনাৰে পৰিপুষ্ট হোৱাৰ বাবে সমাজ জীৱনৰ লগতে লগতে শৈক্ষিক





2023-25 কাৰ্য্যকালৰ শেষৰ খন কাৰ্যনিবাহক সভাৰ অন্তত সমূহীয়া ফটো





অসম বিজ্ঞান সমিতিৰ ঢকুৱাখনা অধিৱেশনৰ প্ৰথমখন প্ৰতিনিধি সভা ফাত বিহু অনুস্থিত কৰা থলিত অনুষ্ঠিত হয়।










শৈক্ষিক ক্ষেত্ৰলৈয়ো অভূতপূৰ্ব পৰিৱৰ্তন আহিছে। বিজ্ঞান শিক্ষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু জনমুখী কৰাৰ ক্ষেত্ৰত অসম বিজ্ঞান সমিতিৰ ভূমিকাৰ কথাও তেখেতে উল্লেখ ইয়াৰ পাছতে ইন্দিবৰ বুঢ়াগোঁহাঞি সম্পাদিত অসম বিজ্ঞান সমিতিৰ ঢকুৱাখনা অধিৱেশনৰ স্মাৰক গ্ৰন্থ "বীক্ষণ" উন্মোচন কৰে ঢকুৱাখনা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অমিয় কুমাৰ সন্দিকৈয়ে। এই অনুষ্ঠানতেই "বিজ্ঞান জেউতি" উন্মোচন কৰে ড০ অমিয়া ৰাজবংশী আৰু ড০ মুকুন্দ ৰাজবংশীয়ে। এই অনুষ্ঠানতেই “ বিজ্ঞান বাৰ্তা “ ৰ দুটাকৈ সংখ্যা উন্মোচন কৰে বিজ্ঞান বাৰ্তাৰ মুখ্য সম্পাদক নিৰোদ কুমাৰ বৰা আৰু সম্পাদক পংকজ কুমাৰ বৰুৰাই । ইয়াৰ লগতে অসম বিজ্ঞান সমিতিৰ বহুকেইখন গ্ৰন্থ উন্মোচন কৰা হয়। অসম বিজ্ঞান সমিতিৰ ঢকুৱাখনা অধিবেশন উপলক্ষে গণেশ গগৈ প্ৰেক্ষাগৃহত ড° সত্যৰঞ্জন নেওগৰ সঞ্চালনাত বিশেষ বক্তৃতানুষ্ঠানৰ কাৰ্যসূচী সম্পন্ন হৈ যায়। কাৰ্যসূচীত কৃত্ৰিম বুদ্ধিমত্তা আৰু ইয়াৰ ভবিষ্যত সম্পৰ্কে সহজ সৰল ভাষাৰে আলোকপাত কৰে সমল ব্যক্তি ড° ইফটাক হুছেইনে।














অসম বিজ্ঞান সমিতিৰ ঢকুৱাখনা অধিৱেশনৰ মুকলি সভাত সৰ্বোচ্চ সংখ্যক আজীৱন সদস্য ভৰ্ত্তিৰ বাবে পাটাছাৰকুছি শাখাই শ্ৰেষ্ঠ শাখাৰ বটা
গ্ৰহণ কৰা মূহুৰ্তত





ৰচনা প্ৰতিযোগিতাৰ সৰ্বাধিক পুৰস্কাৰ প্ৰাপ্ত গৌৰীসাগৰ - দিখৌমুখ শাখা





যোৰহাট শাখাক 2025 বৰ্ষৰ শ্ৰে শাখাৰ বঁটা
প্ৰদান কৰা মুহুৰ্তত





পিছলা শাখাৰ প্ৰদীপ নেওগ লৈ অসম বিজ্ঞান সমিতিয়ে 2025 বৰ্ষৰ শ্ৰেষ্ঠ কৰ্মী ৰ বঁটা
প্ৰদান কৰা মুহুৰ্তত







অসম চৰকাৰৰ পৰা অসমগৌৰৱ বটা প্ৰাপ্ত শ্ৰীমতী ফুলেশ্বৰী দত্ত ক অসম বিজ্ঞান সমিতিৰ তৰফৰ পৰা সৰ্ম্বধনা জ্ঞাপন কৰা হয়।





অসম জাতীয় বিদ্যালয়ৰ বিজ্ঞান বিষয়ৰ শিক্ষক তথা উপাধ্যক্ষ পংকজ দত্তক ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ বিজ্ঞান শিক্ষকৰ সন্মান আগবঢ়াই ।





ঢকুৱাখনা নগৰৰ 'হোমেন বৰগোহাঞি ক্ষেত্ৰ'ত ৪,৫ আৰু ৬ মাৰ্চ/২০২৫ তাৰিখে তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত অসম বিজ্ঞান সমিতিৰ ৫৫ সংখ্যক পূৰ্ণাংগ অধিৱেশনৰ সভা গণেশ গগৈ প্ৰেক্ষাগৃহত আৰু বিভিন্নজনক সন্মানিত কৰা হয়।







অধিৱেশনৰ শেষৰটো দিনৰ কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত প্ৰমোদ দত্তক ঢকুৱাখনাৰ শ্ৰেষ্ঠ মুগা পালক, পূৰ্ণানন্দ বুঢ়াগোহাঁইক ঢকুৱাখনাৰ শ্ৰেষ্ঠ খেতিয়ক, ৰজনী চেতিয়াক ঢকুৱাখনাৰ শ্ৰেষ্ঠ বিজ্ঞান শিক্ষক আৰু ধ্ৰুৱজ্যোতি চেতিয়াক ঢকুৱাখনাৰ শ্ৰেষ্ঠ যুৱ পৰিৱেশকৰ্মী সম্মানেৰে সন্মানিত কৰা হয়। ইয়াৰ পাছতে ড০ যোগানন্দ সূতৰ সঞ্চালনাত অনুষ্ঠিত বিজ্ঞানীৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠানত ভাগ লয় অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ড০ অৰূপ কুমাৰ মিশ্ৰ আৰু অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড০ জয়দীপ বৰুৱাই। ইয়াৰ পাছতে অসম বিজ্ঞান সমিতিৰ সভাপতি ড০ ধীবেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনি উদ্বোধন কৰে স্থানীয় বিধায়ক তথা আদৰণী সমিতিৰ সভাপতি নৱ কুমাৰ দলে দেৱে। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে সমজিলা আযুক্ত কাৰ্তিক কলিতা, বিজ্ঞানী ড০ পংকজ ভৰালী,
















সমিতিৰ দ্বাৰা প্ৰকাশিত
আৰু বিক্ৰী কেন্দ্ৰ






PERIODIC TABLE OF THE ELEMENTS






ঢকুৱাখনা নগৰৰ 'হোমেন বৰগোহাঞি ক্ষেত্ৰ'ত অনুষ্ঠিত অসম বিজ্ঞান সমিতিৰ ৫৫ সংখ্যক পূৰ্ণাংগ অধিৱেশনৰ দ্বিতীয় খন প্ৰতিনিধি সভা











ঢকুৱাখনা নগৰৰ 'হোমেন বৰগোহাঞি ক্ষেত্ৰ'ত ৪, ৫ আৰু ৬ মাৰ্চ/২০২৫ তাৰিখে তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত অসম বিজ্ঞান সমিতিৰ ৫৫ সংখ্যক পূৰ্ণাংগ অধিৱেশনৰ সভা গণেশ গগৈ প্ৰেক্ষাগৃহত তৃতীয় তথা শেষৰটো দিনৰ আবেলিলৈ অনুষ্ঠিত হোৱা বিষয় বাচনি সভাই ড০ অৰূপ কুমাৰ মিশ্ৰক সভাপতি আৰু মৃণাল কুমাৰ হাজৰিকাক প্ৰধান সচিব হিচাপে লৈ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰে। উল্লেখযোগ্য যে কাৰ্যনিৰ্বাহক সমিতিখনৰ সকলো পদবীৰ প্ৰাৰ্থী বাবে বিনা প্ৰতিদ্বন্দ্বীতাই নিৰ্বাচিত হয়।









নতুন কাৰ্যনিৰ্বাহক সমিতিখন









ঢকুৱাখনা নগৰৰ 'হোমেন বৰগোহাঞি ক্ষেত্ৰ'ত ৪,৫ আৰু ৬ মাৰ্চ/২০২৫ তাৰিখে তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত অসম বিজ্ঞান সমিতিৰ ৫৫ সংখ্যক পূৰ্ণাংগ অধিৱেশনৰ সভাৰ অন্তত গণেশ গগৈ প্ৰেক্ষাগৃহত আয়োজক ঢকুৱাখনা শাখাক ধন্যবাদ জ্ঞাপন কৰা হয় আৰু পত্ৰ পাঠ কৰি প্ৰদান কৰা হয়।

# বিশেষ




"ঢকুৱাখনাৰ হোমেন বৰগোহাঞি ক্ষেত্ৰত অনুষ্ঠিত অসম বিজ্ঞান সমিতিৰ ৫৫সংখ্যক ৰাজ্যিক অধিৱেশনত সন্মানীয় বিধায়ক শ্ৰীনৱ কুমাৰ দলে ডাঙৰীয়াৰ সৈতে উপস্থিত থাকিবলৈ পাই সুখী হৈছোঁ। অসমত বিজ্ঞানক জনপ্ৰিয়কৰণ আৰু বিজ্ঞানমনস্ক সমাজ গঠনৰ বাবে অসম বিজ্ঞান সমিতিয়ে প্ৰতিষ্ঠা কালৰ পৰাই চলাই অহা নিৰলস প্ৰচেষ্টাৰ শলাগ লৈছোঁ। আজিৰ যুগ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগ। বিশ্বজনীন উন্নয়নৰ লক্ষ্য পূৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বিজ্ঞান আৰু প্ৰযুক্তিৰ জৰিয়তে এখন বহনক্ষম বিশ্ব সমাজ নিৰ্মাণৰ প্ৰয়োজনীয়তাৰ ওপৰত সমৱেত শিক্ষাৰ্থী তথা বিজ্ঞানুৰাগীসকলৰ সৈতে মত বিনিময় কৰোঁ।" - **শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু**






লগতে ডেকা সতীৰ্থ বিমান সন্দিকৈ, (সম্পাদক,অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখা) দেৱক অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ঢকুৱাখনাৰ হোমেন বৰগোহাঞি ক্ষেত্ৰত অনুষ্ঠিত অসম বিজ্ঞান সমিতিৰ ৫৫সংখ্যক ৰাজ্যিক অধিবেশন খনি অতি নিয়াৰিকৈ সম্পন্ন হৈ গল । আদৰণী সমিতিৰ তথা ঢকুৱাখনাবাসীৰ, আটাইবোৰ বিজ্ঞান কৰ্মীৰ
আতিথ্য আৰু সেৱাৰ মানসিকতাৰ শলাগ লৈছোঁ সুন্দৰ আতিথ্য,সুন্দৰ ব্যবস্থাপনা,সুন্দৰ মাত-কথা, সকলোৰ সুন্দৰ সহযোগ, অতি সুন্দৰ, শৃংখলাবদ্ধ , পৰিস্কাৰ-পৰিচ্ছন্ন চৌপাশ, পৰিৱেশ অনুকূল সকলো ব্যৱস্থাপনা, সময়ৰ প্ৰতি সজাগ, শান্তিপূৰ্ণ সফল সমাপ্তি আদিৰে এখন সৰ্বাংগসুন্দৰ সুন্দৰ অনুষ্ঠান সম্পন্ন হ'ল । ঢকুৱাখনাৰ সকলো সন্মানীয় বিষয় -ববীয়াৰ প্ৰতি আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ .

৭ এপ্ৰিল, ২০২৫ ইংৰাজী তাৰিখ সোমবাৰে দিনৰ ১২ বজাত এই বৰ্ষৰ বিশ্ব স্বাস্থ্য দিৱসটি অসম বিজ্ঞান সমিতি, বকো শাখাৰ উদ্যোগত আৰু জামবাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত আন্ধেৰিটাৰী বালিকা প্ৰাথমিক বিদ্যালয়ত স্বাস্থ্য সজাগতা সভাৰে অনুষ্ঠিত কৰা হ'ব। সমল ব্যক্তি হিচাপে উপস্থিত থাকে স্বাস্থ্য কেন্দ্ৰটোৰ স্বাস্থ্য বিষয়া ডাঃ ভনিতা দাসৰ লগতে দুগৰাকী এ এন এম নাৰ্ছ ক্ৰমে দীপালী তালুকদাৰ আৰু প্ৰণিতা চৌধুৰী। অসম বিজ্ঞান সমিতি, বকো শাখাৰ সম্পাদক তথা বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ দায়িত্বত থকা পৱিত্ৰ কৈৱৰ্ত্তই আজি সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছত সমল ব্যক্তি ডাঃ ভনিতা দাসে তেওঁৰ বক্তব্যত ছাত্ৰ-ছাত্ৰীসকলে চাফ-চিকুনতাৰে বিদ্যালয়লৈ অহাৰ লগতে ঘৰতো থকা, বেমাৰ-আজাৰ হ'লে জৰা-ফুকাৰ সলনি ডাক্তৰৰ পৰামৰ্শ গ্ৰহণ কৰা, বেমাৰ নহ'বলৈ বিভিন্ন স্বাস্থ্যগত সজাগতা লোৱা, ৰাতিৰ শোৱাৰ আগত আৰু পুৱা শুই উঠি দাঁত ভালকৈ মাজন কৰা, কিবা খোৱাৰ আগতে বা প্ৰেচাৰ-পায়খানা কৰাৰ পিছত সঠিক পদ্ধতিত হাত ধোৱা, যোগ-প্ৰাণায়ম নিয়মিতভাৱে কৰা,নিয়মিতভাৱে কাপোৰ ধোৱা, চুলি -মুখৰ তথা শৰীৰৰ যতন ভালকৈ লোৱা আদি নানা আলোচনা আগবঢ়ায়।









তেওঁ আজিৰ দৰেকৈ অন্য কোনো দিনতো এনেকুৱা সজাগতা সভাৰে অভিভাৱক, ছাত্ৰ-ছাত্ৰীক সজাগ কৰাৰ সভা আহ্বান কৰিলে তেওঁৰ ফালৰ পৰা কৰিব পৰা সহায়-সহযোগিতা আগবঢ়াব বুলি জনায়। আজিৰ অনুষ্ঠানত উপস্থিত থাকে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ লগতে সহকাৰী শিক্ষয়িত্ৰী যুতিকা কুমাৰী, RCM শিক্ষা কৰ্মী জুৰি ছালমা, কলেজ অৱ এডুকেশ্বন, বকোৰ ডি ই এল ই ডি প্ৰশিক্ষাৰ্থী ছাত্ৰ-ছাত্ৰী ক্ৰমে ভাৰ্গৱ কলিতা, আস্থা স্বৰ্গীয়াৰী, চন্দ্ৰামিতা নাথ, লিমা দাস, ৰিমজিম কলিতা আৰু উৰ্মিলা চুলতানাই। বিশেষ সহযোগিতাৰ ধন্যবাদ জনালোঁ শাখাৰ উপ-সভাপতি ধ্ৰুৱজ্যোতি মেধি আৰু সভাপতি অৰবিন্দ চৌধুৰী মহোদয়ক আৰু কাপোৰৰ বেনাৰখন সজাই দিয়াৰ বাবে ফণীন্দ্ৰ ৰাভাক

গোৰেশ্বৰ শাখাৰ








# গ্রাম্য বিজ্ঞান মেলা


SCIENCE FAIR
TODAY
PLANTS
Shadows
ed for Emma's solar
erosion demonstration.
at how tall Will's plant
l puppets with a second-
shadow experiment.
when a fourth-grader's
sent soda shooting up to

# কোকৰাঝাৰত গ্ৰাম্য বিজ্ঞান মেলা















# ACTIVITY REPORT, ASSAM SCIENCE SOCIETY, KARIMGANJ BRANCH
## (September 2023 to March 2025)

After the formation of new General Body by Executive Committee (2023-24) various events were performed, some highlighting events are enlisted as below:

**Date: 02/10/2023**

Assam Science Society, Karimganj Branch in collaboration with Maharishi Vidya Mandir, Karimganj participated in Swaccha Bharat Mission to promote plastic free environment and initiated a plastic free school campus drive in the MAHARISHI VIDYA MANDIR, KARIMGANJ.
The members of ASS, Dr Sabyasachi Roy, Dr Suchismita Dutta Sarkar, Dr Nirmal Kumar Sarkar, Dr Ritumoni Haloi and others promoted awareness among the students and witnessed an oath taking ceremony to give up the use of single use. plastic. Dr Bijon Kumar Deb, President ASS, Karimganj along with Secretary and Assistant Secretary also marked their presence.






**Date:28/02/2024**:

Assam Science Society, Karimganj Branch organized and observed National Science Day, 2024 at Gour Gobindo High School Chorgola, Karimganj, Apart from imparting awareness on scientific knowledge among the students by eminent members of ASS, Karimganj Branch. Various competitions were organized among the students and prizes were distributed.






**Date: 24/01/2025**

A major step was initiated by the members of Assam Science Society, Karianganj Branch by submitting a memorandum to the Deputy Commissioner, of Karimganj regarding the restriction in the use of Single use Plastic in the locality followed by a press release.





**Date: 28.02.25**

Assam Science Society Karimganj Branch observed National Science Day with a panel discussion on spreading awareness regarding scientific thinking among the students to benefit the society. The program was headed by Sri Nirojit Das Assistant Secretary Assam Science Society Karimganj Branch.

# RURAL SCIENCE FESTIVAL

VILLAGE SCIENCE FESTIVAL

Date 19/04/2025 Venue: Adarsh Vidyalaya, Lowairpowa, Karimganj Total school participated : 09 ( from nearby rural schools including tea garden schools) EVENTS: INAUGURATION SESSION RESOURCE PERSON TALKS COMPETITION Art competition Speech competition (junior and senior group)Science exhibition (two groups)Essay competiti on.

Inauguration by chief guest Sri Neelam Jyoti Das Inspector of Schools, Karimganj.











## গ্ৰাম্য বিজ্ঞান মেলা



*বিজ্ঞান প্ৰসাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ প্ৰকল্প ২০২৪-২৫ ৰ অধীনত * বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ পৃষ্ঠপোষকতাত , অসম বিজ্ঞান সমিতিৰ উদ্যোগত , মধ্য ছয়দুৱাৰ শাখাৰ আয়োজনত , গ্ৰাম্য বিজ্ঞান মেলাৰ দুদিনীয়া কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়



২৫ আৰু ২৬ এপ্ৰিল , ২০২৫ তাৰিখে বিশ্বনাথ জিলাৰ গহপুৰ সম জিলাৰ অন্তৰ্গত গমিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত * গ্ৰাম্য বিজ্ঞান মেলাৰ * কাৰ্যসূচী সফল ভাবে সমাপন হয় । ২৫ এপ্ৰিল ২০২৫ তাৰিখে পূৱা ৮-০০ বজাত পৰিবেশ নিকাকৰণ কাৰ্যসূচীৰে আৰম্ভ হোৱা অনুষ্ঠানটোত দ্বিতীয় কাৰ্যসূচী হিচাপে বৃক্ষৰোপন কৰা হয় । পূৱা ১০-১০ বজাত শৈক্ষিক প্ৰতিযোগিতা উদ্বোধন কৰে মধ্য ছয়দুৱাৰ শাখাৰ জ্যেষ্ঠ আজীৱন সদস্য শ্ৰীযুত উদয় নাৰায়ণ গৌতম মহাশয়ে ।শোণিতপুৰ আৰু বিশ্বনাথ জিলা সংমণ্ডলৰ বিদ্যালয় সমুহৰ পৰিদৰ্শক মহোদয়ৰ অনুমতি সাপেক্ষে গ্ৰাম্য বিজ্ঞান মেলাত অয়োজন কৰা চিত্ৰাঙ্কন প্ৰতিযোগিতা , বিজ্ঞানৰ কুইজ প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ১৯ খন বিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীযে যোগদান কৰে । উক্ত দিনৰ দুপৰীয়া ১২-৩০ বজাত অনুষ্ঠিত হোৱা স্বাস্থ্য সম্পৰ্কীয় সজাগতা সভাখনত কনকলতা অসামৰিক চিকিৎসালয়ৰ খণ্ড আঁচনি প্ৰৱন্ধক শ্ৰীযুত হৰেণ গগৈ আৰু বিশ্বনাথ জিলা স্বাস্থ্য নিৰীক্ষণ বিষয়া ডা: এলিজা ডেকাই বৰ্তমান সময়ত দেখা দিয়া ৰোগ সমুহৰ পৰা





আৰম্ভ কৰি কেণ্ঠাৰৰ দৰে জটিল ৰোগৰ ক্ষেত্ৰত সজাগ হৈ থাকিলে কেনেদৰে বাচি থাকিব পাৰে সেই সম্পৰ্কত জন সাধাৰণক সজাগ কৰে । আবেলি ৩-০০ বজাৰ পৰা আকাশৰ কথা শীৰ্ষক এখন আকৰ্ষনীয় অনুষ্ঠানৰ আঁত ধৰে গুৱাহাটী প্লেনেটেৰিয়ামৰ প্ৰকল্প সহযোগী শ্ৰীযুত মানস প্ৰতীম শৰ্মাই । ৰাতিলৈ দূৰবীক্ষণ যন্ত্ৰৰ সহায়ত বৃহস্পতি গ্ৰহকে আদি কৰি ছাত্ৰ ছাত্ৰী আৰু উপস্থিত ৰাইজক আকাশখন সুন্দৰ ভাবে নিৰীক্ষণ কৰাই এক সফল কাৰ্যসূচী সম্পন্ন কৰা হয় । দ্বিতীয় দিনা ২৬ এপ্ৰিল ২০২৫ তাৰিখে পুৱা ৮-০০ বজাত পৰিবেশ নিকাকৰণ কাৰ্যসূচী সম্পন্ন কৰাৰ অন্তত অসম বিজ্ঞান সমিতিৰ পাতাকা উত্তোলন কৰা হয় । অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ সভাপতি শ্ৰীযুত নীলমণি শৰ্মাই পাতাকা উত্তোলন কৰি গ্ৰাম্য বিজ্ঞান মেলাৰ তাৎপৰ্য ব্যাখ্যা আগবঢ়াই । পুৱা ১০-০০ বজাত বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ মাজত বিজ্ঞানৰ প্ৰকল্প আৰু আৰ্হি প্ৰদৰ্শন প্ৰতিযোতিতা অনুষ্ঠিত কৰা হয় । মুঠ ২৫ টা দলে অংশ গ্ৰহণ কৰা দিনৰ ১১-০০ বজাত উপস্থিত ছাত্ৰ- ছাত্ৰী আৰু ৰাইজক বিজ্ঞানৰ যাদুৰ সহায়ত মনোৰঞ্জন প্ৰদান কৰে অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ সভাপতি শ্ৰীযুত নীলমণি শৰ্মাই । ১-০০ বজাত আয়োজন কৰা আলোচনা চক্ৰ আৰু মুকলি সভাখন সঞ্চালনা কৰে শ্ৰীযুত নবীন শইকীয়াই । বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতা বিষয়ৰ













ওপৰত আলোচনা আগবঢ়াই অসম বিজ্ঞান সমিতিৰ কাৰ্যনিৰ্বাহ সদস্য তথা পিছলা শাখাৰ সম্পাদক শ্ৰীযুত প্ৰদীপ নেওগ আৰু বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক শ্ৰীযুত ধনেশ্বৰ বৰাই । মুকলি সভাখনৰ আঁত ধৰে অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ সম্পাদক শ্ৰীযুত কেশৱ শৰ্মাই । সভাখনত গমিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান তথা গ্ৰাম্য বিজ্ঞান মেলাৰ উদ্ যাপন সমিতিৰ সভাপতি শ্ৰীযুত সঞ্জীৱ গগৈয়ে আদৰণি ভাষণ আগবঢ়ায় । বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰিত মহাবাহু ফিছাৰিজৰ সঞ্চালক শ্ৰীযুত অনুপ শৰ্মাই নতুন প্ৰজন্মক উদ্দেশ্যি উদ্যোমিতাৰ ওপৰত অতি সুন্দৰ বক্তব্য প্ৰদান কৰে । মুকলি সভাতে শ্ৰেষ্ঠ প্ৰতিযোগি সকলক পুৰস্কাৰ আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰে । সঞ্চালকৰ ভাষণৰ অন্তত অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ সহ সম্পাদক শ্ৰীযুত বীৰেন কাঠ হাজৰিকাই শলাগৰ শৰাই আগবঢ়াই

## গৌৰীসাগৰ- দিখৌমুখ শাখা




আমাৰ মনৰ কথা :অসমৰ জাতীয় অনুষ্ঠান অসম বিজ্ঞান সমিতিয়ে অসম আৰু অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু তথা অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনাখন প্ৰত্যেক বছৰে এক ঐতিহাসিক বৈজ্ঞানিক সিদ্ধান্ত লব লাগে যিয়ে এক সূদুৰ প্ৰসাৰি পৰিবৰ্তন অনাত সহায়ক হব। আমাৰ মনত অহা তেনেকুৱা তিনিটা প্ৰস্তাৱ আগবঢ়ালো । ১) শাখাৰ বা কেন্দ্ৰীয় কোনো অনুষ্ঠানত প্লাষ্টিক গিলাচ- থালি ব্যৱহাৰৰ পৰিৱৰ্তে কলপাত, ডোং, মৰলীয়া পাতৰ থালি, তামোলৰ ঢকুৱা ইত্যাদিৰ বৱহাৰ।২) অনুষ্ঠানবোৰত ব্যৱহাৰ হোৱা অসমীয়া গামোচা বা বিভিন্ন জনগোষ্ঠীয় গামোচা বিলাক শাখাবোৰে বা কেন্দ্ৰীয় সমিতিয়ে থলুৱা তাতঁশালৰ পৰা লোৱাটো ভাল যিয়ে অসমীয়া সমাজ জীৱনত সূদূৰপ্ৰসাৰী প্ৰভাৱ পেলাৱ। ৩) শাখাবোৰৰ মাজত কিছুমান থলুৱা বস্তুুৰ বিনিময় হোৱাটো ভাল, যেনে গছৰ পুলি, বীজ। উপৰোক্ত তিনিওটা আমাৰ গৌৰীসাগৰ দিখৌমুখ শাখাত চলি আছে। আমি আপোনালোকৰ আগত এইয়া ব্যক্তহে কৰিছো।















# কৰ্মশালা

বিজ্ঞান প্ৰসাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ প্ৰকল্প ২০২৪-২০২৫ৰ অধীনত বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ অসম চৰকাৰৰ পৃষ্ঠপোষকতাত শাখাৰ উদ্যোগত "ধেমালিৰ চলেৰে বিজ্ঞান শিকো আহা" বিষয়ত এক কৰ্মশালা অনুষ্ঠিত হয়। ৭ খন বিদ্যালয়ৰ ৭জন বিজ্ঞান শিক্ষক আৰু ৪৭ জন ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে যোৰহাটৰ জনপ্ৰিয় বিজ্ঞান কৰ্মী, বিজ্ঞান শিক্ষক আৰহান ইনামূল। উদ্বোধন কৰে দেৰগাওঁ শাখাৰ সহঃ সম্পাদক মৃগেন বৰাই। সম্পাদক ড০ নৰজ্যোতি বড়াই আঁত ধৰা অনুষ্ঠানটিত শাখাৰ সভাপতি আতঁধৰা অনুষ্ঠানটিত পৰ্যবেক্ষক হিচাপে কেন্দ্ৰীয় যুটীয়া সচিব অৰূপ কুমাৰ দত্ত উপস্থিত থাকে। প্ৰায় দুঘণ্টা সময় আৰহান ডাঙৰীয়াই হাতে কামে সৰ্বসাধাৰণ কিছুমান পৰিঘটনাক পৰীক্ষাৰ দ্বাৰা উপস্থাপন কৰি অনুষ্ঠানটি মনোগ্ৰাহী কৰি তোলে। দুপৰীয়া তৃপ্তি বড়াই আঁত ধৰা অনুষ্ঠানটিত শাখাৰ সভাপতি প্ৰশান্ত কুমাৰ নেওগয়ে সভাপতিত্ব কৰে। কেন্দ্ৰীয় সমিতিৰ যুটীয়া সচিব অৰূপ কুমাৰ নেওগদেৱে বিজ্ঞান আৰু বৈজ্ঞানিক প্ৰতিষ্ঠানবোৰৰ তথ্যসহ বিশ্লেষণেৰে সভাখন উদ্বোধন কৰে। সভাতেই ২০২৪-২০২৫ বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে ড০ নৰজ্যোতি বড়াই। " প্লাষ্টিক মানৱ জাতিৰ বাবে আৰ্শীবাদ নে অভিশাপ"এই বিষয়ত তথ্যসহ বিশ্লেষেণেৰে মূল ব্যক্তব্য প্ৰদান কৰে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ ৰসায়ন











বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক দিগন্ত বড়াই।বিজ্ঞান জেউতিয়ে আয়োজন কৰা ৰচনা প্ৰতিযোগিতাত আঞ্চলিক আৰু ৰাজ্যিক পৰ্যায়ত স্থানপ্ৰাপ্তসকলক সমিতিয়ে কিতাপৰ টোপোলা আৰু মানপত্ৰ প্ৰদান কৰে




SCIENCE
POPULAR TALK

## জনপ্ৰিয়কৰণ বক্তৃতা অনুষ্ঠান

অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কায্যসূচী “বিজ্ঞান প্ৰসাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ প্ৰকল্প (২০২৪-২০২৫)” ৰ অধিনত অসম বিজ্ঞান সমিতি মৰাণ শাখাৰ উদ্যোগত মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আৰু অসম বিজ্ঞান সমিতিৰ সৌজন্যত ৯ এপ্ৰিল ২০২৫ তাৰিখে মৰান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিজ্ঞান জনপ্ৰিয়কৰণ বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়


















# Howly Branch








## Popular Talk






# বিজ্ঞান প্ৰসাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ






Dr.Dhanmoni Medhi's deliberation was praiseworthy. Participation of the audience was.also overwhelming. I would like to thank Ajit Sarma and Bipul Khound for their presence ,help and cooperation. Inspite of his health priblem,secretary Nasir Sultan extend his cooperation for which.I would like to thank.him.














# জনপ্ৰিয় বক্তৃতা প্ৰদান




**পিচলা শাখা** বিজ্ঞান সমিতিৰ দ্বাৰা খেৰাজখাত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত এটি জনপ্ৰিয় বক্তৃতা প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক Dr. Bhargav Jyoti Saikia ই । উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মৃদুল বুঢ়াগোহাঁই ডাঙৰীয়াই। সভাত সভাপতিৰ আসন অলংকৃত কৰে ড০ লক্ষীৰাম ভূঞাই। সভা খন আত ধৰে শ্ৰী বিৰিঞ্চি কুমাৰ বৰুৱাই











# বিজ্ঞান জনপ্ৰিয়কৰণৰ বক্তৃতানুষ্ঠান

বিজ্ঞান প্ৰসাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ প্ৰকল্প 2024-2025 ৰ অধীনত বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ অসম চৰকাৰৰ পৃষ্ঠপোষকতাত অসম বিজ্ঞান সমিতি আমবাগান শাখাৰ উদ্যোগত লাইলুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান জনপ্ৰিয়কৰণৰ বক্তৃতানুষ্ঠান " জলসংকট: পৰিৱৰ্তিত জলবায়ু " শীৰ্ষক এটি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বিপুল মজুমদাৰে সভাপতিত্ব কৰা এই বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকে কলিয়াবৰ মহাবিদ্যালয়ৰ জীৱবিদ্যা বিভাগৰ অধ্যাপক গোহাঁই দাস, অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কমিটিৰ সদস্য পংকজ বৰুৱা, আমবাগান শাখা বিজ্ঞান সমিতিৰ আজীৱন সদস্য ৰতন মন্ডল, অসীত সাহা, বাদল চক্ৰৱতীৰ লগতে বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী সকলে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ শিক্ষক মীৰ বাহাৰ উদ্দিনে











বাৰাদি, বৰপেটা, ২২ এপ্ৰিলঃ বৰপেটা বাৰাদিৰ পৰমেশ তালুকদাৰ উচ্চ মাধ্যমিক বিদ্যালয় আৰু কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ ১০০ৰো অধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে বিজ্ঞান শিক্ষণ আৰু পাঠদানৰ বাবে ডিজিটেল প্লেটফৰ্ম ব্যৱহাৰ কৰাৰ সন্দৰ্ভত আজি এক সজাগতা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অসম বিজ্ঞান সমিতিৰ বৰপেটা শাখাৰ উদ্যোগত পৰমেশ তালুকদাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত দিনৰ ১:০০ বজাৰ পৰা এই অনুষ্ঠানৰ আয়োজন কৰা হয়।অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ অৰ্থসাহায্যত "অসমৰ গ্ৰাম্যাঞ্চলত বিজ্ঞান- জনপ্ৰিয়কৰণ অভিযানৰ অংশ হিচাপে বিজ্ঞানৰ প্ৰচাৰৰ বাবে ডিজিটেল মঞ্চৰ প্ৰয়োগ" আঁচনিৰ অধীনত ২০২৪–২৫ বিত্তীয় বৰ্ষৰ বাবে এই কাৰ্য্যসূচী অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক উভয়কে বিজ্ঞান শিক্ষাত ডিজিটেল আহিলাসমূহ ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰা। অনুষ্ঠানৰ আৰম্ভণিতে সমল ব্যক্তি, বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞানৰ সহকাৰী অধ্যাপক ড° সমীৰণ কুমাৰ দাস আৰু আয়োজক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীযুত প্ৰসন্ন তালুকদাৰক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ডিজিটেল মাধ্যমৰ জৰিয়তে বিজ্ঞান শিকাৰ উপকাৰিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ড° দাসে এই সজাগতা কাৰ্য্যসূচী পৰিচালনা কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ মোবাইল ফোনসমূহ শিক্ষামূলক উদ্দেশ্যত ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰি বিভিন্ন এপে কেনেকৈ শিক্ষণ উপভোগ্য কৰি তুলিব পাৰে সেই বিষয়ে আলোকপাত কৰে।







তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অসংখ্য উপযোগী এপ আৰু ৱেবছাইটৰ সৈতে পৰিচয় কৰাই দিয়ে আৰু পৰীক্ষা-নিৰীক্ষা চলোৱাৰ বাবে ‘‘ভাৰ্চুৱেল লেব’’ৰ ব্যৱহাৰ কিদৰে কৰিব পাৰি তাক প্ৰদৰ্শন কৰে। আজিৰ এই কাৰ্যসূচীৰ এক উল্লেখযোগ্য দিশ আছিল ছাত্ৰ-ছাত্ৰী আৰু ড° দাসৰ মাজত হোৱা প্ৰশ্নোত্তৰ শিতান। অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ অধ্যয়নৰ বাবে ডিজিটেল আহিলা ব্যৱহাৰৰ প্ৰতি উৎসাহ প্ৰদৰ্শন কৰে। অনুষ্ঠানৰ সামৰণিত অসম বিজ্ঞান সমিতিৰ বৰপেটা শাখাৰ সাধাৰণ সম্পাদক ড° সঞ্জীৱ দেউৰীয়ে শলাগৰ শৰাই আগবঢ়ায়

২৪ এপ্ৰিল ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতি, পুৰণিগুদাম শাখাৰ ব্যৱস্থাপনাত "বিজ্ঞান প্ৰসাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ প্ৰকল্প,২০২৪-২৫ৰ অধীনত এটি বক্তৃতা অনুষ্ঠানৰ অনুষ্ঠিত কৰা হয়। বক্তৃতাৰ বিষয়,"জলবায়ু পৰিৱৰ্তনত জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ ভূমিকা আৰু ইয়াত প্ৰযুক্তিৰ প্ৰয়োগ"। উক্ত অনুষ্ঠানত মুখ্য বক্তা হিচাপে পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সন্ধ্যা বৰুৱা আৰু চামগুৰি DIETৰ প্ৰবক্তা ৰূপজ্যোতি বৰাই বক্তৃতা প্ৰদান কৰে









২৫ এপ্ৰিল তাৰিখ : দেৰগাঁও শাখাৰ উদ্যোগত 'বিজ্ঞান প্ৰসাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ' শীৰ্ষক কাৰ্যসূচী দেৰগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত






# Awareness meet

**CORRESPONDENT**

DERGAON, April 25: The Dergaon branch of the Assam Science Society (ASS) organised an awareness meeting on the 'Application of Digital Media in Science Communication' at Dergaon Girls' Higher Secondary School (DGHSS) today.

The programme was organised under the aegis of ASS under the project 'Application of Digital Media in Science Communication' in 2024-25 session sponsored by the Department of Science, Technology and Climate Change Department, Government of Assam.

Dergaon branch president Dr Monoj Jyoti Hazarika chaired the programme, and the secretary, Dr Sanjoy Kr. Hazarika moderated it. DGHSS principal Chidananda Pathak delivered the welcome address.

As the resource person, Dr Jyoti Prasad Gogoi and Jayanta Sonowal, assistant professors of Physics at DKD College, demonstrated several ways of applying digital media for educational and science communication through a Power Point presentation.

The interactive programme was attended by as many as five hundred students of DGHSS and from five other institutions. The students expressed satisfaction with the programme, which taught them new things.

## অসম বিজ্ঞান সমিতিৰ উদ্যোগ

# বৰক্ষেত্ৰীত বিজ্ঞান সজাগতা সভা

অসম বিজ্ঞান সমিতিৰ উদ্যোগত বৰক্ষেত্ৰীত বিজ্ঞান সজাগতা সভা *প্ৰতিদিন সেৱা, দৌলাশাল-মুকালমুৱা, ১৮ এপ্ৰিল:* নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত খোঁৱাথালত আজি বিজ্ঞান সজাগতা সভা এখন অনুষ্ঠিত হৈ যায়। অসম বিজ্ঞান সমিতিৰ উদ্যোগত আৰু নলবাৰীৰ ককয়া বিজ্ঞান শাখাৰ সহযোগত বৰক্ষেত্ৰীৰ ঘোঁৰাথালত অনুষ্ঠিত হয় 'বিজ্ঞান প্ৰসাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ' প্ৰকল্প শীৰ্ষক সজাগতা সভাখন। ঘোঁৰাথাল গাঁৱৰ বিশিষ্ট সমাজহিতৈষী বশিষ্ঠ দাসৰ বাসগৃহত অনুষ্ঠিত সজাগতা সভাখনত ৰমেশ চন্দ্ৰ ৰামচিয়াৰীয়ে অন্ধবিশ্বাস আৰু কুসংস্কাৰ আঁতৰকৰাৰ উদ্দেশ্যে লিখি উলিওৱা গীত পৰিবেশন কৰি সভাৰ শুভাৰম্ভ কৰে। অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে ককয়া বিজ্ঞান শাখাৰ সভাপতি বিচিত্ৰ কুমাৰ মজুমদাৰে। গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰবক্তা। ড' জ্যোতিপ্ৰসাদ দাসে আঁত ধৰা সভাৰ আদৰণী ভাষণ ৰাখে অসম চৰকাৰৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ অবসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক বশিষ্ঠ দাসে। সজাগতা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি গ্ৰাম্য বিজ্ঞান সন্দৰ্ভত ভাষণ দিয়ে অসম বিজ্ঞান সমিতিৰ সচিব প্ৰধান মৃণাল কুমাৰ হাজৰিকাই। গাঁৱৰ মহানিম, গোল নেমু, থেকেৰা, সান্দহ গুড়ি আদিৰ উপকাৰিতাৰ বিষয়ে উল্লেখ কৰি গ্ৰাম্য বিজ্ঞান অবহেলা কৰিলে অসমীয়া জাতি ক'ৰবাত বৈ যাব বুলি তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। বজাৰ-পথাৰৰ সমান্তৰালকৈ গ্ৰাম্য বিজ্ঞানো আমাৰ দৰকাৰ বুলি কয় হাজৰিকাই। বিজ্ঞান সৃষ্টি হয় গাঁৱত, প্ৰয়োগ হয় চহৰত বুলি উল্লেখ কৰি গাঁৱৰ বোকা চাউল, কোমল চাউলৰ



প্ৰসংগ উত্থাপন কৰি আমাৰ সমাজ ব্যৱস্থাৰ পুৰণি দিনবোৰলৈ ঘূৰি যোৱাৰ পৰামৰ্শ দিয়ে মৃণাল কুমাৰ হাজৰিকাই। সভাত অসম বিজ্ঞান সমিতিৰ যুটীয়া সচিব অৰূপ কুমাৰ দত্তই বিজ্ঞানৰ জয়যাত্ৰা সন্দৰ্ভত ভাষণ ৰাখে। সভাত দন্ত চিকিৎসক মৈয়ত্ৰী শৰ্মাই বিজ্ঞানৰ দূৰদৰ্শী চিন্তাধাৰাৰ কথা উল্লেখ কৰি মানসিকভাৱে সুস্থ হ'লেহে আমি শক্তিশালী হৈ থাকিব পাৰিম বুলি কয়। চিকিৎসক শৰ্মাই দাঁতৰ বিভিন্ন ৰোগ সন্দৰ্ভত বিস্তৃত ভাষণ ৰাখি দাঁতৰ বিভিন্ন ৰোগৰ পৰা মুক্ত হৈ থাকিবলৈ হ'লে বেজ-বেজালিৰ পৰা দূৰৈত অৱস্থান কৰি চিকিৎসকৰ পৰামৰ্শ ল'বলৈ আহ্বান জনায়। সজাগতা সভাত অসম বিজ্ঞান সমিতিৰ সহকাৰী সচিব নীলমণি শৰ্মাই বিজ্ঞানক জনমুখী কৰাৰ লক্ষ্যৰে বিজ্ঞানৰ বিভিন্ন কৌতূহল প্ৰদৰ্শন কৰে। সভাত অসম বিজ্ঞান সমিতিৰ অন্তৰ্ভুক্ত ককয়া বিজ্ঞান সমিতিৰ কেইবাজনো কৰ্মকৰ্তাকে ধৰি দৌলাশাল উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক জয়ন্ত কুমাৰ দাসৰ লগতে অঞ্চলটোৰ শতাধিক ব্যক্তি উপস্থিত থাকে।

# সজাগতা সভা




অসম বিজ্ঞান সমিতি,ডিব্ৰুগড় শাখা আৰু অসম চিকিৎসা মহাবিদ্যালয় শিক্ষক সন্থাৰ যৌথ সহযোগত গল ব্লাডাৰৰ কৰ্কট ৰোগ আৰু নেত্ৰ দান সম্পৰ্কত সজাগতা সভা

বিষয়ঃ গল ব্লাডাৰৰ।কৰ্কট ৰোগ আৰু নেত্ৰ দান সম্পৰ্কত সজাগতা আয়োজকঃ অসমবিজ্ঞান সমিতি,ডিব্ৰুগড় শাখা আৰু অসম চিকিৎসা মহাবিদ্যালয় ক. শিক্ষক সন্থাৰ যৌথ সহযোগত


স্থানঃ ৰামেশ্বৰ শৰ্মা ফুকন শংকৰদেৱ বিদ্যা নিকেতন, ডিব্ৰুগড় তাৰিখঃ ২৯এপ্ৰিল, ২০২৫ সময়ঃ বিয়লি ১বজা












WORLD
EARTH DAY
22 April, [redacted]


WORLD EARTH DAY
22nd April, 2025


GPS Map
Camera Lite
162, Lala Rd, Ward Number-IV, Bashdahar, Hailakandi, Assam
788151, India
Latitude
24.67640254°
Longitude
92.56568293°




Ankapai Punjee, Assam, India
H827+9fh, Shillong - Agartala - Sabrum Rd, Ankapai Pu
Assam 788726, India
Lat 24.550701° Long 92.313633°
19/04/2025 11:23 AM GMT +05:30
Google


BLUE FLOWERS



# জাতীয় বিজ্ঞান পুঁজি

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

অসম বিজ্ঞান সমিতিৰ 54 সংখ্যক দুলীয়াজানৰ অধিবেশনত সমিতি আৰ্থিক ভাৱে স্বাৱলম্বী হোৱাৰ বাবে "জাতীয় বিজ্ঞান পুঁজি" নামেৰে এটি পুঁজি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। তাৰেই ভিত্তিত কাৰ্যনিৰ্বাহক সমিতিয়ে সমিতিৰ কাৰ্যকৰী সভাপতিক(কুটুবুদ্দিন আহমেদ) সভাপতি আৰু প্ৰদীপ নেওঁগ আৰু অবনী দাসক আহ্বায়ক ৰূপে নিৰ্বাচিত কৰি এখন সমিতি গঠন কৰে।সমিতি খনৰ তৎপৰতাত ওপৰত উল্লেখ কৰা ধৰণে এটি একাউণ্ট খোলা হৈছে।
গতিকে ইচ্ছুক সদস্য ক বৰঙণি আগবঢ়াবলৈ অনুৰোধ জনালোঁ।উল্লেখযোগ্য যে এই পূজিত আগবঢ়োঁৱা ধন আয়কৰ মুক্ত হব।

আশাকৰো সমিতিৰ সন্মানীয় সদস্য সকলে সহযোগিতা আগবঢ়াব।

ধন্যবাদেৰে
মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব
অ বি স


# Jatiya Bigyan Punji

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

In the 54th Duliajan session of the Assam Science Society, a proposal was adopted to set up a fund called **"Jatiya Bigyan Punji "** to make the Society financially self-reliant. On the basis of this, the Executive Committee formed a committee by electing the executive president of the committee (Kutubuddin Ahmed) as the president and Pradeep Neog and Abani Das as the convener. An account has been opened as mentioned above in the promptness of the committee.
So I request the interested members to contribute. It is worth mentioning that the money offered in this Fund will be free from income tax.

I hope the honourable members of the committee will cooperate.

With thanks
Mrinal Kumar Hazarika
General Secretary
Assam Science Society



# Letter to Editor.....
# সম্পাদকলৈ চিঠি

## আপোনালোকৰ প্ৰশ্ন অথবা পৰামৰ্শ আমালৈ চমুকৈ লিখি পঠিয়াওক।

Write any comment and good suggestion to :

Email : bigyanbarta@gmail.com

WhatsApp: 60013-99315